**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::**

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কাইলৈ প্ৰধানমন্ত্ৰীৰ বিশেষ প্ৰতিনিধি হিচাপে শ্ৰীলংকা ভ্ৰমণ কৰিব।

২। কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে আজি কৈছে যে, উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰৰ আৰাৱলী পৰ্বতৰ সংৰক্ষণৰ বাবে আৰাৱলী সেউজ দেৱাল প্ৰকল্পৰ প্ৰয়াসৰ বিষয়টো স্বীকৃতি দিছে।

৩। দিল্লী উচ্চ ন্যায়ালয়ে কংগ্ৰেছ নেতা ছোনীয়া গান্ধী, ৰাহুল গান্ধী আৰু আন নেতাসকলক নেচনেল হেৰাল্ড গোচৰ সন্দৰ্ভত বিধি বলবৎকাৰী সঞ্চালকালয়ে দাখিল কৰা আবেদনৰ উত্তৰ দিবলৈ নিৰ্দেশ দিছে।

৪। অসম চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। ***আৰু***

৫। বিশাখাপট্টনমত কাইলৈ ভাৰত-শ্ৰীলংকাৰ মহিলা দলৰ দ্বিতীয়খন টি-২০ খেল অনুষ্ঠিত হ'ব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে কাইলৈ প্ৰধানমন্ত্ৰীৰ বিশেষ প্ৰতিনিধি হিচাপে শ্ৰীলংকা ভ্ৰমণ কৰিব। ড° জয়শংকৰে কয়, যে এই ভ্ৰমণকালত তেওঁ দেশখনৰ নেতৃস্থানীয় লোকসকলক লগ ধৰিব। তেওঁ লগতে কয়, যে ভাৰতবৰ্ষই সদায় চুবুৰীয়া দেশসমূহক প্ৰাথমিকতা দি আহিছে আৰু দিটৱা ঘূৰ্ণিবতাহে অনা ধ্বংসলীলাৰ পিছত সহায়ক হোৱাকৈ অপাৰেছন সাগৰবন্ধুৰ আৰম্ভণি কৰা হৈছে।

০০০০

কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে আজি কৈছে যে, উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰৰ আৰাৱলী পৰ্বতৰ সংৰক্ষণৰ বাবে আৰাৱলী সেউজ দেৱাল প্ৰকল্পৰ প্ৰয়াসৰ বিষয়টো স্বীকৃতি দিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰকে ধৰি আৰাৱলী খণ্ডত বিশেষকৈ অতি স্পৰ্শকাতৰ অঞ্চলত কোনো নতুন খননৰ অনুমতি দিয়া নহ'ব। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে আৰাৱলীৰ পুনৰ সংৰক্ষণ তথা সেউজ পৰিবেশৰ ৰক্ষনা-বেক্ষন তথা ইয়াৰ সংৰক্ষণৰ বাবে এই প্ৰকল্প হাতত লোৱা হৈছে। তেওঁ কয় যে বিজ্ঞানসন্মত ব্যৱস্থাপনা পৰিকল্পনাৰ জৰিয়তে ইয়াৰ সংৰক্ষণ কৰা হ'ব।

০০০০

দিল্লী উচ্চ ন্যায়ালয়ে কংগ্ৰেছ নেতা ছোনীয়া গান্ধী, ৰাহুল গান্ধী আৰু আন নেতাসকলক নেচনেল হেৰাল্ড গোচৰ সন্দৰ্ভত বিধি বলবৎকাৰী সঞ্চালকালয়ে দাখিল কৰা আবেদনৰ উত্তৰ দিবলৈ নিৰ্দেশ দিছে। এই গোচৰটোৰ

সন্দৰ্ভত দাখিল কৰা অভিযোগনামা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাৰ পাছত বিধি বলবৎকাৰী সঞ্চালকালয়ে বিচাৰ আদালতৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাইছে। ন্যায়াধীশ ৰবীন্দ্ৰ দুদেজাই কংগ্ৰেছৰ নেতাজনৰ বিপক্ষে জাননী জাৰি কৰাৰ লগতে ১৬ ডিচেম্বৰত দিয়া নিৰ্দেশ স্থগিত ৰাখিবলৈ বিধি বলবৎকাৰী সংস্থাই জনোৱা আবেদন গ্ৰহণ কৰে। উচ্চ ন্যায়ালয়ে এই বিষয়টোৰ পৰৱৰ্তী শুনানি অহা বছৰৰ মাৰ্চ মাহৰ ২১ তাৰিখে গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছে। উল্লেখযোগ্য যে ছোনীয়া গান্ধী আৰু ৰাহুল গান্ধীৰ বাহিৰে উচ্চ ন্যায়ালয়ে চুমন ডুবেই, চেম প্ৰিত্ৰোদা, য়ং ইণ্ডিয়ান, দ'টেক্স মাৰ্চেণ্ডাইজ প্ৰাইভেট লিমিটেড আৰু সুনিল ভাণ্ডাৰীৰ নামো এই অভিযোগত সাঙুৰ খাইছে। বিধি বলবৎকাৰী সংস্থাই অভিযুক্তকেইজনৰ বিৰুদ্ধে ষড়যন্ত্ৰ আৰু ক'লা ধনৰ লেনদেনৰ অভিযোগ দাখিল কৰিছে। উল্লেখযোগ্য যে অভিযোগনামাত উল্লেখ থকা মতে, নেচনেল হেৰাল্ড নামৰ বাতৰি কাকতখন প্ৰকাশ কৰি উলিওৱা তেওঁলোকৰ মালিকীস্বত্বধাৰী এছোছিয়েটেড জাৰ্নালছ লিমিটেড নামৰ প্ৰতিষ্ঠানটোৰে প্ৰায় দুহেজাৰ কোটি টকাৰ সম্পত্তি অবৈধভাৱে ক্ৰয় কৰিছে।

০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যান দপ্তৰৰ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত এঘাৰ বছৰত দেশত স্বাস্থ্য খণ্ডত উল্লেখযোগ্য ৰূপান্তৰ হৈছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে প্ৰাথমিকৰ পৰা স্বাস্থ্য যতন ব্যৱস্থাক তিনি গুণ ৰূপান্তৰ সাধন কৰিছে। নতুন দিল্লীৰ বৰ্ধমান মহাবীৰ চিকিৎসা মহাবিদ্যালয় আৰু চফদৰ্জং চিকিৎসালয়ৰ সপ্তম সমাৱৰ্তনত সম্বোধন কৰি তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে সকলোৰে বাবে স্বাস্থ্য সেৱা ব্যয় সাধ্য কৰি তুলিছে। তেওঁ কয় যে চৰকাৰে দৰিদ্ৰ আৰু আৰ্তজনক বিভিন্ন আঁচনিৰ জৰিয়তে বিত্তীয় সুৰক্ষা প্ৰদান কৰিছে। শ্ৰীমতী পেটেলে লগতে কয় যে প্ৰাথমিক স্বাস্থ্য যতন সুবিধা প্ৰদানৰ বাবে সমগ্ৰ দেশতে এক লাখ ৭৮ হাজাৰ আয়ুষ্মান আৰোগ্য মন্দিৰ কাৰ্যক্ষম হৈ আছে।

০০০০

ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এই নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিযুক্তি সম্পন্ন হোৱাৰ বিষয়ে উল্লেখ কৰি কয় যে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অনুসৰি ১ লাখ নিযুক্তিৰ সংখ্যা কেতিয়াবাই অতিক্ৰম কৰিছে। তেওঁ কয় যে নিয়মীয়া পদত ১ লাখ নিযুক্তি দিয়াৰ উপৰি ঠিকাভিত্তিক পদসমূহতো প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। তেওঁ কয় যে প্ৰতিশ্ৰুতি পূৰণৰ দিশত অগ্ৰসৰ হৈয়েই চৰকাৰখনে তিনিটা বিভাগ শিক্ষা, স্বাস্থ্য আৰু আৰক্ষী বিভাগত খালী হৈ থকা পদসমূহত নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। এই অনুসৰি দৰিদ্ৰ পৰিয়ালৰ বহু যুৱক-যুৱতীয়েও সম্পূৰ্ণ মেধাৰ ভিত্তিত নিযুক্তি লাভ কৰাৰ ফলত পৰিয়ালসমূহে সকাহ লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। নিযুক্তিপত্ৰ প্ৰদান অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল আৰু প্ৰশান্ত ফুকনো উপস্থিত থাকে। অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ৯৯৮ গৰাকী, স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনত ৮২৮ গৰাকী, স্বাস্থ্যসেৱা (পৰিয়াল কল্যাণ) সঞ্চালকালয়ৰ ৫৯২ গৰাকী আৰু আয়ুষ সঞ্চালকালয়ৰ অধীনত দুগৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, আজি নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলৰ সৈতে সৰ্বমুঠ ১ লাখ ৪৫ হাজাৰ ৪৪৯ গৰাকী ব্যক্তিয়ে বৰ্তমানলৈকে নিযুক্তি লাভ কৰিছে।

০০০০০০০

ভাৰত আৰু বিশ্ব স্বাস্থ্য সংস্থাই গোলকীয় স্বাস্থ্য যতন খণ্ডত ভাৰতীয় পৰম্পৰাগত ঔষধ চিকিৎসাৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। আয়ুষ মন্ত্ৰালয় আৰু বিশ্ব স্বাস্থ্য সংস্থাই এই সন্দৰ্ভত নতুন দিল্লীত দুদিনীয়া বিশেষ বৈঠকৰ আয়োজন কৰে। বৈঠকত স্বাস্থ্য যতনৰ ক্ষেত্ৰত পৰম্পৰাগত ঔষধক আন্তৰাষ্ট্ৰীয় মানেৰে বিকশাই তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। আয়ুৰ্বেদিক, সিদ্ধা, ইউনানি পৰম্পৰাগত চিকিৎসাৰ সন্দৰ্ভত গোলকীয় পৰ্যায়ত সজাগতাৰ সৃষ্টিৰ বাবে চলিত বৰ্ষৰ মে' মাহত আয়ুষ মন্ত্ৰালয় আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ মাজত এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে।

০০০০

মুৰ্ছিদাবাদৰ ভৰতপুৰৰ তৃণমূল কংগ্ৰেছৰ নিলম্বিত বিধায়ক হুমায়ুন কবিৰে জনতা উন্নয়ন দল নামেৰে এটা নতুন ৰাজনৈতিকক দল গঠন কৰিছে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী এসময়ৰ ঘণিষ্ঠ বুলি জনাজাত তৃণমূল কংগ্ৰেছৰ এই প্ৰাক্তন বিধায়কজনে মুৰ্চিদাবাদ জিলাৰ বেলদাংগাত বাবৰি মছ্‌দিজ নিৰ্মাণৰ পৰিকল্পনাৰ কথা ৰাজহুৱাভাৱে ঘোষণা কৰাৰ পাছতে হুমায়ুন কবিৰক দলৰ পৰা বহিস্কাৰ কৰা হৈছিল। নতুন দলটোৰ ঘোষণা কৰি বিধায়কজনে কয় যে তৃণমূল কংগ্ৰেছ আৰু বিজেপি দললৈ প্ৰত্যাহ্বান জনাই দুয়োটা দলক নিৰ্বাচনত পৰাভূত কৰাই দলটোৰ উদ্দেশ্য। ইপিনে, নতুন দলটোৰ গঠন সন্দৰ্ভত বিজেপিৰ ৰাজ্যিক সভাপতি আৰু ৰাজ্যসভাৰ সাংসদ সমিক ভট্টাচাৰ্যই জনতা উন্নয়ন নামৰ এই দলটো তৃণমূল কংগ্ৰেছ দলৰে এটা নতুন শাখা বুলি অভিহিত কৰে।

০০০০

দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহৰ বৈদেশিক মন্ত্ৰীসকলৰ সংস্থাই কম্বোদিয়া আৰু থাইলেণ্ডক তাৎক্ষণিকভাৱে সকলো ধৰণৰ যুদ্ধসদৃশ পৰিস্থিতিৰ সমাপ্ত কৰিবলৈ আহ্বান জনাইছে। মালয়েছিয়াৰ কোৱালালামপুৰত আজি কম্বোদিয়া আৰু থাইলেণ্ডৰ মাজৰ বৰ্তমানৰ পৰিস্থিতিৰ সন্দৰ্ভত বৈদেশিক মন্ত্ৰীসকল এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত দক্ষিণ পূৱ এচিয়াৰ দেশসমূহৰ একতা আৰু আঞ্চলিক শান্তি, সুৰক্ষা, সুস্থিৰতা, সমৃদ্ধি আদিৰ ক্ষেত্ৰত দায়বদ্ধতা পুনৰ দোঁহাৰিছে। দুয়োখন দেশৰ মাজত অব্যাহত থকা অস্থিৰতা আৰু যুদ্ধসদৃশ পৰিস্থিতিৰ ফলত বহু লোকে প্ৰাণ হেৰুওৱাৰ লগতে দুয়োখন দেশৰ ভালেমান অসামৰিক আন্তঃগাথনি ধ্বংস হোৱাৰ উপৰি ভালেমান লোক বিতাড়িত হৈছে।

০০০০

বিশাখাপট্টনমত কাইলৈ ভাৰত-শ্ৰীলংকাৰ মহিলা দলৰ দ্বিতীয়খন টি-২০ খেল অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাৰ পৰা আৰম্ভ হ'ব। দেশ দুখনৰ মাজৰ পাচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে জয়লাভ কৰি শৃংখলাটোত ১-০ ৰ অগ্ৰগতি লাভ কৰি আছে। হৰমন প্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা নিশা বিশাখাপট্টনমত অনুষ্ঠিত প্ৰথমখন খেলত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ